# 2012

# ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১×১০=১০

(ক) চৰিত-সাহিত্যৰ সৃষ্টি কোনটো যুগত হৈছিল ?

(খ) উত্তৰ-শঙ্কৰী যুগত সৃষ্টি হোৱা সাহিত্যৰ দুটা ৰূপৰ উল্লেখ কৰা।

(গ) 'শকুন্তলা' কাব্য কোনগৰাকী ৰজাৰ ৰাজত্বকালত ৰচিত হৈছিল ?

(ঘ) 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থৰ বিষয়বস্তু কি ?

(ঙ) কিমান চনত অসমীয়া ভাষাটো অসমৰ পঢ়াশালি আৰু আদালতৰ পৰা উঠাই দিয়া হৈছিল ?

(চ) 'অৰুণোদই' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

(ছ) আনন্দৰাম ঢেকীয়ালফুকনে অসমীয়া ভাষাৰ বিষয়ে লিখা পুস্তিকাখনৰ নাম কি আছিল ?

(জ) 'কানীয়াৰ কীৰ্তন' কাৰ ৰচনা ?

(ঝ) 'সুধৰ্মাৰ উপাখ্যান' কোনে ৰচনা কৰিছিল ?

(ঞ) 'ৰোমাণ্টিক সাহিত্য' সৃষ্টিত কোনখন আলোচনীয়ে ভূমিকা লৈছিল ?

(ট) শৰৎচন্দ্ৰ গোস্বামী কোন যুগৰ গল্পকাৰ ?

(ঠ) 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

২। যি কোনো পাঁচোটা প্ৰশ্নৰ উত্তৰ কৰিবা : ২×৫=১০

(ক) কবি ৰাম নাৰায়ণ চক্ৰবৰ্ত্তীয়ে ৰচনা কৰা দুখন কাব্যৰ নাম লিখা।

(খ) অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাৱধাৰা কোন দুটা পথেৰে প্ৰৱেশ কৰিছিল ?

(গ) প্ৰথম অসমীয়া ব্যাকৰণখনৰ নাম কি আৰু কোনে ৰচনা কৰিছিল ?

(ঘ) অৰুণোদই যুগৰ দুজন খৃষ্টীয়ান লেখকৰ নাম লিখা।

(ঙ) প্ৰথম অসমীয়া নাটকখনৰ নাম কি আৰু কোনে ৰচনা কৰিছিল ?

(চ) ৰমা দাশ কোন যুগৰ গল্পকাৰ আছিল ? তেওঁৰ এখন গল্পপুথিৰ নাম লিখা।

(ছ) 'জোনাকী' আলোচনীৰ পাতত প্ৰকাশ পোৱা প্ৰথম উপন্যাসখন কি আৰু লেখক কোন ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভট্টদেৱৰ সাহিত্যকৃতিৰ চমু পৰিচয় দিয়া।

(খ) চৰিতপুথিৰ গদ্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) জোনাকী যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

(ঘ) 'অৰুণোদই' কাকতে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে লিখা।

(ঙ) ৰমন্যাসবাদ কাক বোলে? ৰমন্যাসবাদৰ দুটা লক্ষণ বহলাই লিখা।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতিৰ বিষয়ে চমুকৈ লিখা।

৪। অঙ্কীয়া নাটৰ সকলো বৈশিষ্ট্য প্ৰকাশ পাইছে নে নাই উল্লেখ কৰি শঙ্কৰোত্তৰ যুগৰ নাটৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা। ৪+৬=১০

*অথবা*

ভট্টদেৱৰ গদ্যশৈলী সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ১০

৫। অসমীয়া সাহিত্যলৈ মিচনাৰীসকলে আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

গুণাভিৰাম বৰুৱা *অথবা* হেমচন্দ্ৰ বৰুৱাই অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে লিখা।

৬। ব্যৱহাৰিক সাহিত্য বুলি ক'লে কি বুজা? শঙ্কৰোত্তৰ যুগত অসমীয়া ভাষাত কি কি ব্যৱহাৰিক সাহিত্য সৃষ্টি হৈছিল, আলোচনা কৰা। ২+৮=১০

*অথবা*

অসমীয়া বুৰঞ্জী সাহিত্য সম্পৰ্কে এটা প্ৰবন্ধ যুগুত কৰা। ১০

৭। ৰজনীকান্ত বৰদলৈৰ উপন্যাস সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ১০

*অথবা*

আৱাহন যুগত ৰচিত অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

★★★